**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-08-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসম ৰাজভৱনৰ ব্ৰহ্মপুত্ৰ শাখা উদ্বোধন কৰিব। ৰাজ্যৰ বিকাশমুখী যাত্ৰাত নৱতম সংযোজন হিচাপে ৪১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নতুন ৰাজভৱনগৃহত ৰাজ্যপালৰ কাৰ্যালয়, অতিৰিক্ত আয়ুক্তৰ কাৰ্যালয়, প্ৰধান ব্যক্তিগত সচিবৰ কাৰ্যালয়, সন্মিলন কক্ষকে ধৰি আন বহু সুবিধা থাকিব। এই উপলক্ষে দিনৰ চাৰে ১১ বজাত আয়োজিত কাৰ্যসূচীত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে দেৰগাঁৱৰ লাচিত বৰফুকন পুলিচ একাডেমীত দেশৰ দ্বিতীয়টো ৰাষ্ট্ৰীয় চাইবাৰ ফৰেণচিক গৱেষণাগাৰ উদ্বোধন কৰিব। ৪৫ কোটি টকা ব্যয়সাপেক্ষে এই ফৰেণচিক গৱেষণাগাৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ বাবে বিস্তৃতভাৱে ডিজিটেল অনুসন্ধানৰ সুবিধা প্ৰদানৰ লগতে আধুনিক ফৰেণচিক পদ্ধতিৰে আইন প্ৰয়োগৰ ক্ষমতা শক্তিশালী কৰা হ'ব।

আকাশবাণী গুৱাহাটী কেন্দ্ৰই আজি দিনৰ ১১ বাজি ৩৫ মিনিটৰ পৰা গুৱাহাটীৰ নৱনিৰ্মিত ৰাজভৱন মুকলিৰ অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই পোনপটীয়া প্ৰচাৰৰ সামৰণিতহে আমাৰ দুপৰীয়া ১২ বাজি ৫ মিনিটত প্ৰচাৰিত হ'বলগীয়া আঞ্চলিক বাতৰি প্ৰচাৰ কৰা হ'ব।

উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীক কালি সন্ধিয়া মুখ্যমন্ত্ৰী ডং শৰ্মাই গুৱাহাটী বিমান বন্দৰত আদৰণি জনায়। শ্ৰীশ্বাহে কালি বিজেপিৰ মূল সমিতিৰ সৈতে বাজপেয়ী ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়।

কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে আজি বিয়লি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত প্ৰাক্তন মুখ্যমন্ত্ৰী গোলাপ বৰবৰাৰ জন্ম শতবৰ্ষৰ উদ্বোধনী কাৰ্যসূচীত অংশ ল'ব। নব্য চিন্তাৰ উন্মেষেৰে অসমৰ ৰূপান্তৰৰ অন্যতম খনিকৰ তথা স্বাধীনতা সেনানি গোলাপ বৰবৰা হৈছে অসমৰ প্ৰথমগৰাকী অ-কংগ্ৰেছী মুখ্যমন্ত্ৰী। শ্ৰী বৰাই সামাজিক আৰু ৰাজনৈতিকভাৱে ৰাজ্যখনৰ বাবে বিশেষ অৱদান আগবঢ়াই থৈ গৈছে।

শ্ৰী শ্বাহে আজি গুৱাহাটীৰ খানাপাৰাত হ'বলগীয়া পঞ্চায়ত প্ৰতিনিধি সন্মিলনতো ভাগ ল'ব। তেওঁ এই সন্মিলনৰ পৰাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ কুচকাৱাজ আৰম্ভ কৰিব। এই সন্মিলনত বিজেপি, অসম গণ পৰিষদ, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু জনশক্তিকে ধৰি এন ডি এৰ সকলো শীৰ্ষ নেতা উপস্থিত থাকিব। প্ৰায় ২০ হাজাৰ নিৰ্বাচিত জনপ্ৰতিনিধি এই সন্মিলনত উপস্থিত থকাৰ কথা। তদুপৰি কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদ, ডিমা হাচাওকে ধৰি পৰিষদসমূহৰ নিৰ্বাচিত প্ৰতিনিধিসকলো এই অনুষ্ঠানত উপস্থিত থাকিব।

oooooooo

যোৰহাট জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই কেঁচা পাতৰ মূল্য হ্ৰাসৰ বিৰুদ্ধে কালি চিনামৰাত থকা ভাৰতীয় চাহ বোৰ্ডৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰায় ডেৰ শতাধিক ক্ষুদ্ৰ চাহ খেতিয়কে অংশগ্ৰহণ কৰা এই প্ৰতিবাদৰ অংশস্বৰূপে ভাৰতীয় চাহ বোৰ্ডৰ ভাৰপ্ৰাপ্ত উপাধ্যক্ষ তথা কাৰ্যবাহী সম্পাদকলৈ এখন স্মাৰক পত্ৰ প্ৰেৰণ কৰা হয়। প্ৰতিবাদকাৰী খেতিয়কসকলৰ মতে প্ৰতি কেজি কেঁচা চাহপাতৰ উৎপাদন ব্যয় ২৫ টকাতকৈ অধিক যদিও অধিকাংশ কলঘৰে খেতিয়কসকলক প্ৰতি কেজি কেঁচা চাহপাতৰ বিনিময়ত ১৪ৰ পৰা ২০ টকা মূল্যহে প্ৰদান

কৰে। ফলত ক্ষুদ্ৰ চাহ খেতিয়কসকল গুৰুতৰভাৱে লোকচানৰ সন্মুখীন হৈছে বুলি প্ৰতিবাদকাৰী কৃষকসকলে মন্তব্য কৰে।

০০০০০০০০

তিনিচুকীয়াৰ অসম-অৰুণাচল প্ৰদেশ সীমান্তৱৰ্তী পেঙেৰিত কালিৰে পৰা তিনিদিনীয়া দুৰ্যোগ প্ৰশমনৰ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী উপ-নিয়ন্ত্ৰক ভাস্কৰ ডেকাই ডিগবৈৰ টি চি ডি চি চিৰ অধীনত পেঙেৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত এই শিবিৰৰ নেতৃত্ব দিছে। এই শিবিৰত দুৰ্যোগৰ সময়ত ল'ব লগা সাৱধানতা, উদ্ধাৰ কাৰ্য আৰু কৰণীয় কাম-কাজৰ বিষয়ে প্ৰশিক্ষণ দিয়া হৈছে। বিদ্যালয়খনৰ অৰ্ধশতাধিক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে শিবিৰত অংশগ্ৰহণ কৰিছে।

০০০০০০০০

ডিব্ৰুগড় চহৰৰ দূৰদৰ্শন কেন্দ্ৰৰ সমীপৱৰ্তী মানকটা পথৰ ওপৰত ৰে'লৰে অভাৰব্ৰীজৰ নিৰ্মাণ কাৰ্য আৰম্ভ হোৱাৰ বাবে ডিব্ৰুগড়ৰ পৰা খনিকৰ চাৰিআলি অভিমুখী যানবাহৰ বাবে বিকল্প পথৰ ব্যৱহাৰ কৰা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনে এই সন্দৰ্ভত কালি এখন জাননী জাৰি কৰিছে। জাননীখনত উল্লেখ কৰা অনুসৰি  ডিব্ৰুগড়ৰ পৰা খনিকৰ চাৰিআলি অভিমুখী বাহনসমূহ দূৰদৰ্শন কেন্দ্ৰৰ কাষেৰে সোমাই ৰে'লপথ অতিক্ৰম কৰি টেপৰ গাঁও হৈ কছাৰীবাৰী নামঘৰৰ ওচৰত ওলাব পাৰিব।

০০০০০০০০

মটক স্বায়ত্ব শাসিত পৰিষদৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত কালি ডিব্ৰুগড় জিলাৰ বিনৈগুটীয়া গাঁৱত মহিলা সৱলীকৰণ আৰু আত্মনিৰ্ভৰশীলতা সন্দৰ্ভত এটা প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। শিবিৰটো বিশিষ্ট পশু চিকিৎসক ডাঃ জ্যোতি প্ৰসাদ হাতীবৰুৱাই প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানটোত মটক স্বায়ত্ব শাসিত পৰিষদৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ কাৰ্যবাহী পাৰিষদ যতীন দিহিঙাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০০০০

**সমাপ্ত**